Script/Assamese Bulletin/Dibrugarh/6pm/05.10.2022

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি পাঁচশ চৌসত্তৰ সংখ্যক আৱিৰ্ভাৱ তিথি। একশৰণ নাম ধৰ্মৰ প্ৰতিষ্ঠাপক, কবি, সাহিত্যিক, নাট্যকাৰ, চিত্ৰশিল্পী, সৰ্বোপৰি সমাজ সংস্কাৰক গুৰুজনাই সহজ-সৰল নাম ধৰ্মৰ মাজেৰে ভাষা আৰু সংস্কৃতিক ন-ৰূপ প্ৰদান কৰি সৰ্বসাধাৰণক তেওঁ জাতীয় জীৱনৰ ক্ষেত্ৰত নিজ নিজ দায়িত্ব পালন কৰাৰ বাবে উদ্বুদ্ধ কৰি তুলিছিল।

আজি ৰাজ্যজুৰি ভিন ভিন কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উদযাপন কৰা হৈছে। গুৰুজনাৰ জন্মস্থান বৰদোৱাৰ বটদ্ৰৱা সত্ৰৰ পৰা আৰম্ভ কৰি সত্ৰনগৰী বৰপেটা, ঐতিহ্যমণ্ডিত মাজুলী আৰু কোচবিহাৰৰ ৰামাৰাইকুঠি সত্ৰকে ধৰি সত্ৰ, নামঘৰ আদিৰ লগতে অন্যান্য স্থানতো কালিৰে পৰা তিনিৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱ উদযাপনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ঠায়ে ঠায়ে ঊষা কীৰ্তন, ভাগৱত শোভাযাত্ৰা, ভাওনা প্ৰদৰ্শন, নাম-কীৰ্তন আদিৰ আয়োজন কৰাৰ উপৰিও ভিন ভিন ঠাইত ছাত্ৰ-ছাত্ৰী আৰু আগ্ৰহী পুৰুষ-মহিলাসকলৰ মাজত ৰচনা, বৰগীত, দিহানাম, চিত্ৰাংকন আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ উপৰিও ধৰ্মালোচনা সভা আদিৰো আয়োজন কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা টুইটবাৰ্তাত কৃষ্টি-সংস্কৃতি, সাহিত্য আৰু জ্ঞান চৰ্চাৰে অসম জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠা কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মোৎসৱত প্ৰণিপাত জনাইছে।

০০০০০০০০০০০০০

আজি বিজয়া দশমী। ষষ্ঠীত বেলবোধনেৰে আৰম্ভ কৰা শাৰদীয় দুৰ্গোৎসৱৰ এই পাঁচদিনীয়া আড়ম্বৰপূৰ্ণ কাৰ্যসূচী পৰম্পৰা অনুসৰি নৈত প্ৰতিমা বিসৰ্জনেৰে আজি সামৰণি পৰে। এই উপলক্ষে সমগ্ৰ দেশৰ লগতে পৰম্পৰাগত উৎসাহ-উদ্দীপনা আৰু ধৰ্মীয় ৰীতি-নীতিৰে অসমতো দশমী পূজা সম্পন্ন হয়। ডিব্ৰুগড়ত পুৱা প্ৰায় ১১ বজাৰ পৰা প্ৰতিমা বিসৰ্জনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। উল্লেখযোগ্য যে, ট্ৰেনজ প্ৰতিদিন টাইম শাৰদীয় শ্ৰেষ্ঠ ২০২২ প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী সিদ্ধেশ্বৰী কালিমন্দিৰ দুৰ্গাপূজা কমিটিয়ে শ্ৰেষ্ঠ পূজা মণ্ডপৰ সন্মান অৰ্জন কৰিছে। এই প্ৰতিযোগিতাত সমগ্ৰ অসমৰ এশ ৯৩ খন পূজা কমিটিয়ে অংশগ্ৰহণ কৰিছিল। আনহাতে আজি প্ৰতিমা বিসৰ্জনৰ সমান্তৰালভাৱে ঠায়ে ঠায়ে শ্ৰী শ্ৰী ৰামচন্দ্ৰৰ বিজয় উৎসৱ, ৰাৱন দাহ আৰু দশেৰা পৰ্বৰো আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি

জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০০০০০০০০০০

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংস্থাৰ মুৰব্বী মোহন ভগতে কয় যে, মহিলা সৱলীকৰণৰ বিষয়টো যথেষ্ট গুৰুত্ব সহকাৰে ল'ব লাগে আৰু মহিলাসকলক সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত স্বাধীনতা প্ৰদান কৰা উচিত। নাগপুৰত দশেৰা উপলক্ষে অনুষ্ঠিত হোৱা এক বিশেষ সভাত এই কথা উল্লেখ কৰি মোহন ভগতে কয় যে, সমাজ এখন সুস্থিৰ ভাৱে বৰ্তি থকাৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ উভয়ৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে। অনুষ্ঠানত নীতিন গাডকাৰী মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেবেন্দ্ৰ পাৰ্ণাবিজকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হিমাচল প্ৰদেশত তিনিশ ৫০ কোটিৰো অধিক টকাৰ কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। এই কাৰ্যসূচীৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী গৰাকীয়ে হিমাচল প্ৰদেশৰ বিলাসপুৰত অখিল ভাৰতীয় আয়ুৰবিজ্ঞান প্ৰতিষ্ঠান মুকলি কৰে। উল্লেখযোগ্য যে, এহেজাৰ চাৰিশ ৭০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা এই প্ৰতিষ্ঠান ১৮ টা স্পেচিয়েলিটি, ১৭ টা চুপাৰ স্পেচিয়েলিটি বিভাগ আৰু ১৮ সুকীয়া অস্ত্ৰোপচাৰ কক্ষ থাকিব। এই চিকিৎসালয়খনত প্ৰতিবছৰে এশগৰাকী শিক্ষাৰ্থী এম বি বি এছ আৰু ৬০ গৰাকী শিক্ষাৰ্থীয়ে নাৰ্চিং শিক্ষাগ্ৰহণ কৰিব পাৰিব। এই ভ্ৰমণৰ সময়ছোৱাতেই প্ৰধানমন্ত্ৰী গৰাকীয়ে এশ পাঁচ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এক বিশেষ অংশৰ ৩১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ চাৰিলেন যুক্ত উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰাৰ কথা। চাৰিলেনযুক্ত এই প্ৰকল্পৰ বাবদ এহেজাৰ ছশ ৯০ কোটিৰো অধিক টকা ব্যয় হ'ব।

০০০০০০০০০০০০০০০

দেশত এতিয়ালৈকে দুশ ১৮ কোটি ৮৩ লাখ পালি ক'ভিড প্ৰতিষেধক দেশৰ জনসাধাৰণক প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰেৰণ কৰা তথ্য অনুসৰি যোৱা ২৪ ঘণ্টাত দুই লাখ ৯০ হাজাৰতকৈও অধিক পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। আনহাতে এই সময়ছোৱাত দেশত নতুনকৈ দুহেজাৰ চাৰিশ চৌষষ্ঠি টা ক'ভিড সংক্ৰমণ ধৰা পৰিছে। যোৱা ২৪ ঘণ্টাত তিনিহেজাৰ সাতশ ৩১ জন লোক সুস্থ হৈ নিজ নিজ গৃহলৈ উভতি গৈছে। এতিয়ালৈকে দেশত ঊনানব্বৈ কোটি এষষ্ঠি লাখ

ক'ভিড টেষ্ট সম্পন্ন কৰা হৈছে বুলি স্বাস্থ্য মন্ত্ৰালয়ে জানিবলৈ দিছে।

০০০০০০০০০০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে অসমকে ধৰি দেশৰ এশ ১৫ টা স্থানত অনুসন্ধান চলাই চাইবাৰ ক্ৰাইমেৰে জড়িত ১৬ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে প্ৰায় ১ কোটি ৮০ লাখ টকা আৰু প্ৰায় ডেৰ কিলোগ্ৰাম সোণ উদ্ধাৰ কৰিছে। দেশজুৰি বিয়পি পৰা আন্তঃৰাষ্ট্ৰীয় চক্ৰৰ চাইবাৰ অপৰাধ উৎখাট কৰিবৰ বাবে চি বি আইয়ে চলোৱা এই অভিযানত কেইবাখনো ৰাজ্যৰ আৰক্ষীৰ লগতে আমেৰিকাৰ এফ বি আই, ইণ্টাৰপ'ল, কানাডা আৰু অষ্ট্ৰেলিয়াৰ আৰক্ষীয়েও অংশগ্ৰহণ তথা সহযোগিতা আগবঢ়াইছে। কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাটোৱে দেশজুৰি চলোৱা অভিযানক অপাৰেচন চক্ৰ নাম দিছে। অসম, দিল্লী, পঞ্জাৱ, ৰাজস্থান, কৰ্ণাটক, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, চণ্ডীগড় আৰু হাৰিয়ানা আৰক্ষীয়ে অপাৰেচন চক্ৰৰ অংশীদাৰ হিচাপে সহযোগিতা আগবঢ়াইছে।

০০০০০০০০০০০০০

(সমাপ্ত)